FISH/125/2023-FISH-MRG

I/44462/2023

অসম চৰকাৰ

## উপায়ুক্তৰ কাৰ্য্যালয় :: মৰিগাঁও :: অসম

নং 70698 তাৰিখ –২৭/০৬/২০২৩

## জাননী

ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজৰ জ্ঞাতাৰ্থে জনোৱা হয় যে, মৰিগাঁও জিলাৰ অন্তভূক্ত নিম্নোক্ত মীন মহল সমূহ /মীন মহলৰ বিপৰীতে উল্লেখ কৰা সময়ৰ বাবে নিবিদা যোগে নিলামৰ কাৰণে জিলা উপায়ুক্তৰ কাৰ্য্যালয়ত ইং ৬/৭/২০২৩ তাৰিখৰ ভিতৰত দিনৰ ২ বজালৈ কাৰ্য্যালয় খোলাৰ সময়ত নিবিদা গ্ৰহণ কৰা হব। যিসকল লোকে নিবিদা দাখিল কৰিবলৈ ইচ্ছা কৰে তেখেত সকলক উক্ত তাৰিখ ও সময়ৰ ভিতৰত নিবিদা দাখিল কৰিবলৈ জনোৱা হল ।

**তলত দিয়া স্বৰ্ত্ত সাপেক্ষে মীন মহল বন্দোৱস্তী দিয়া হবঃ-**

১) বন্দোৱস্তী ভাৱপ্ৰাপ্ত বিষয়াজন সৰ্বোচ্চ নিৰিখৰ নিবিদা গ্ৰহণ কৰিবৰ বাধ্য নহয় আৰু মীন মহল বা সমূহীয়া মীন মহলৰ ওপৰত উল্লেখ কৰা নিৰ্দিষ্ট সময়তকৈ কম বা বেছি দিনৰ বাবে বন্দোৱস্তী দিয়াৰ ক্ষমতা সংৰক্ষিতহৈ থাকিব ।

২) এই ৰাজ্যৰ তপচিল ভূক্ত অনুসূচীত সম্প্ৰদায়ৰ নাইবা কাছাৰ জিলাৰ মাইমল সম্প্ৰদায়ৰ বাহিৰে গঠিত সমবায় সমিতি লিমিটেড (সঃসঃলিঃ) যে বন্দোৱস্তী পোৱাৰ লগে লগেই প্ৰথম বছৰৰ ৰাজহৰ শতকৰা ২৫ ভাগ টকা নগদ জামানতি হিচাপে জমা দিব লাগিব । এই ৰাজ্যৰ তপচিল ভূক্ত অনুসূচীত প্ৰকৃত মাছমৰীয়া নাইবা কাছাৰ জিলাৰ মাইমল সম্প্ৰদায়ৰ শতকৰা ১০০ শতাংশ সভ্যৰ দ্বাৰা গঠিত সমবায় সমিতি লিমিটেড (সঃসঃলিঃ) যে মীন মহল বন্দোৱস্তী পোৱাৰ লগে লগেই প্ৰথম বছৰৰ ৰাজহৰ শতকৰা ১০ শতাংশ জামানতি ধন হিচাপে নগদ জমা দিব লাগিব ।

যদিহে নিবিদাকাৰীয়ে/নিবিদাকাৰী সঃসঃ যে যাবতীয় জামানতি ধন জমা দিব নোৱাৰে তেন্তে তেখেতক সঃসঃলিঃৰ দায়িত্বত পুনঃ মীন মহল বন্দোৱস্তী দিলে যিমান ৰাজহ ক্ষতি হব সেই ৰাজহৰ সম্পূৰ্ণ ক্ষতি বন্দোৱস্তী সময়ৰ বাবে তেখেত সকলে আদায় দিব লাগিব ।

৩) যদিহে নিবিদাকাৰীয়ে ডাকত লোৱা তাৰিখৰ পৰা এমাহৰ ভিতৰত কবুলিয়ত নামাখন সম্পাদন কৰি দিব নোৱাৰে তেন্তে সেই নিবিদাকাৰীৰ দায়িত্বত মীন মহল পুনঃ বন্দোৱস্তী দিয়া হব আৰু পুনঃ বন্দোৱস্তীৰ ফলত ক্ষতি হোৱা ৰাজহৰ বাবে সেই নিবিদাকাৰী দায়ী হব ।

৪) যদিহে নিবিদাকাৰীয়ে ডাকত লোৱা তাৰিখৰ পৰা এমাহৰ ভিতৰত কবুলিয়ত নামাখন সম্পাদন কৰি দিব নোৱাৰে বা ওপৰৰ ২ আৰু ৩ নং দফাত উল্লেখ কৰা মতে কৰিবলৈ বাধ্য থকা বা কৰিবলগীয়া আৱশ্যকীয় কাম কাৰ্যকৰী কৰিব নোৱাৰে তেন্তে মহলদাৰে জমা দিয়া জামানতি সমূদায় টকা বা তাৰ এটা অংশ বাজেয়াপ্ত কৰিবৰ বাবে উপায়ুক্তই নিৰ্দেশ দিব পাৰিব ।

৫) ইচ্ছুক নিবিদাকাৰীয়ে ৬/৭/২০২৩ তাৰিখৰ দিনৰ ২.০০ বজালৈ কাৰ্য্যালয় খোলা থকা সময়ত নিৰ্দ্ধাৰিত নিবিদা বাকচত জমা দিব পাৰিব । নিৰ্দ্ধাৰিত সময়ৰ পাছত কোনো নিবিদা গ্ৰহণ কৰা নহব । নিবিদা নিৰ্দ্ধাৰিত প্ৰ-পত্ৰত প্ৰয়োজনীয় তথ্যপাতিসমূহ পূৰণ কৰি নিবিদা সমূহ তলত উল্লেখ কৰা প্ৰমান পত্ৰ সমূহ সংলগ্ন কৰি জমা দিব লাগিব ।

- ক) বৰ্ত্তমান বৃত্তিত মাছমৰীয়া লোক/মাছ ধৰাৰ অভিজ্ঞতাৰ প্ৰমান পত্ৰ জিলা মীন উন্নয়ন বিষয়াৰ পৰা জমা দিব লাগিব ।
- খ) ১০০ শতাংশ (১০০%) প্ৰকৃত মাছমৰীয়া লোক হোৱাৰ প্ৰমান পত্ৰ জিলা মীন উন্নয়ন বিষয়াৰ পৰা জমা দিব লাগিব ।
- গ) আবেদনকাৰীৰ/সমবায় সমিতিৰ নামত মীন ৰাজহ বাকী নথকা/ঋণমুক্ত প্ৰমান পত্ৰ জিলা উপায়ুক্ত কাৰ্য্যালয়ৰ মীন শাখাৰ পৰা।
- ঘ) জিলা উপায়ুক্তৰ পৰা নিবিদাকাৰী/সমবায়খনৰ বাকীজাই মুক্ত প্ৰমান পত্ৰ ।
- ঙ) অনুসূচীত জাতি/মাইমল সম্প্ৰদায়ৰ লোক হোৱাৰ প্ৰমান পত্ৰ ।
- চ) ১০.০০ (দহ) টকাৰ ভাৰতীয় পোষ্টেল অৰ্ডাৰ ।
- ছ) নিবিদা প্ৰ-পত্ৰখনৰ লগত ৮.২৫ টকাৰ ৰাজহ টিকট গাঠি দিব লাগিব।
- জ) নিবিদাকাৰী সংশ্লিস্ত মীন মহলখনৰ ওচৰ চুবুৰীয়া হোৱাৰ আৰু দূৰত্বৰ প্ৰমান পত্ৰ চক্ৰ বিষয়া কাৰ্য্যালয়ৰ পৰা গাঠি দিব লাগিব।
- ঝ) যদি আবেদনকাৰী কোনো সমবায় সমিতিৰ সদস্য হয়, তেন্তে সমবায় সমিতিৰ পঞ্জীয়ণৰ প্ৰমান পত্ৰ গাঠি দিব লাগিব ।
- ঞ) নিবিদাকাৰীৰ আয়কৰ বিভাগৰ পান কাৰ্ডৰ (PAN No.) ফটো কপি /সমবায় সমিতিৰ পান কাৰ্ডৰ (PAN No.) ফটো কপি।
- ট) নিবিদাকাৰীৰ ভোটাৰ কাৰ্ডৰ ফটো কপি ।
- ঠ) নিবিদাকাৰীৰ কৰ্তৃত্ব প্ৰাপ্ত ব্যক্তিৰ প্ৰত্যায়িত ফটো গাঠি দিব লাগিব ।
- ড) যদি সমবায় সমিতি হয়, তেন্তে সমবায় সমিতিৰ বছৰেকীয়া Balance Sheet (Financial year 2022-23) আৰু লাভ-লোকচানৰ হিচাপৰ কপি গাঠি দিব লাগিব।
- ঢ) মোহৰযুক্ত বন্ধ খামৰ ওপৰত আৱৰণ পাব বিচৰা মীন মহলৰ নাম উল্লেখ কৰিব লাগিব আৰু নিম্ন স্বাক্ষৰকাৰীৰ কাৰ্য্যালয়ত নিৰ্দ্ধাৰিত বাকচত জমা দিব লাগিব।
- ণ) নিবিদাৰ বাকচ সেইদিনাই দিনৰ ৩.০০ বজাত খোলা হব।

৬) বাৰ্ষিক ৰাজহ তলত দিয়াৰ দৰে কিস্তি আদায় দিব লাগিব।

(১৫% প্ৰথম কিস্তি, ২৫% দ্বিতীয় কিস্তি, ৫০% তৃতীয় কিস্তি আৰু ১৫% চতুৰ্থ কিস্তি)

৭) বিশেষভাৱে অনুজ্ঞা নোহোৱাকৈ মীন মহলত মহাজাল আৰু কইট জালৰ দ্বাৰা মাছ মাৰিব নোৱাৰিব।

৮) বিশেষভাৱে অনুজ্ঞা নোহোৱাকৈ মীন মহলৰ পানী একেবাৰে শুকাই যোৱালৈকে সিচিব বা বাহিৰলৈ উলিয়াই দিব নোৱাৰিব।

৯) মীন মহলৰ মহলদাৰে বা প্ৰতিনিধিয়ে মীন মহল পট্টাৰ যদি কোনো স্বৰ্ত্ত ভংগ কৰে তেনেহলে উপায়ুক্তই সেই পট্টা ৰদ কৰিব পাৰিব আৰু তেনে ঘটনা ঘটিলে পট্টাদাৰে মীন মহলৰ বাবে যিমান টকা আদায় কৰিছিল সেইটকা বাজেয়াপ্ত হব আৰু উক্ত মীন মহলৰ পুনঃ বন্দোৱস্তী দিলে চৰকাৰৰ যিমান ৰাজহ ক্ষতি হয়, সেই ক্ষতি পূৰণৰ বাবে পট্টাদাৰ দায়ী থাকিব।

১০) স্থানীয় তপচিল ভূক্ত অনুসূচীত নাইবা মাইমল সম্প্ৰদায়ৰ মাছমৰীয়াৰ বাহিৰে আন মানুহক উপায়ুক্তৰ হুকুম নোলোৱাকৈ মীন মহলত কাম কৰিবৰ কাৰণে নিযুক্তি দিব নোৱাৰিব।

বিলত বৰো খেতি কৰিব নোৱাৰিব অন্যথা আইন মতে জগৰীয়া হব।

**১১) <u>মীন মহল ও সমূহীয়া মীন মহল বন্দোৱস্তীঃ-</u>**

ক) ৪০ শতাংশ মীন মহলৰ বন্দোৱস্তীৰ ক্ষেত্ৰত যদিহে প্ৰকৃত মাছমৰীয়া অনুসূচীত জাতি / কাছাৰ জিলাৰ মাইমল সম্প্ৰদায়ৰ অনুসূচীত জনজাতি অন্যান্য পিছপৰা সম্প্ৰদায়ৰ দ্বাৰা গঠিত আৰু অসম সমবায় সমিতি ১৯৪৯ চনৰ আইন মতে পঞ্জীয়ন ভূক্ত মীন সমবায় সমিতি লিঃ আৰু তেনে সম্প্ৰদায় ব্যক্তি বিশেষ উচ্চত্তৰ নিবিদাৰ পৰা শতকৰা ৭.৫০ ভাগৰ ভিতৰত পৰে, তেনে নিবিদাকাৰী সকলক উচ্চত্তৰ মূল্যত মীন মহল খন গ্ৰহণ কৰাৰ, গ্ৰহণ নকৰা সম্পৰ্কে নিজৰ মতামত ব্যক্ত কৰিবৰ বাবে সুবিধা দিয়া হব।

খ) যদিহে ৬০ শতাংশ/৪০ শতাংশ মীন মহলৰ বন্দোৱস্তী বাবে দাখিল কৰা উচ্চত্তৰ মূল্যৰ নিবিদাতকৈ শতকৰা ৭.৫০ ভাগ কম নিবিদাকাৰী যেনেঃ- (১) ওপৰত উল্লেখ কৰা সমবায় সমিতি (২)প্ৰকৃত মাছমৰীয়া অনুসূচীত জাতি / কাছাৰ জিলাৰ মাইমল সম্প্ৰদায়ৰ ব্যক্তি (৩) অনুসূচীত জনজাতি অন্যান্য পিছপৰা সম্প্ৰদায়ৰ ব্যক্তি হয়, তেন্তে উচ্চত্তৰ মূল্যত মীন মহল খন গ্ৰহণ কৰা বা নকৰা সম্পৰ্কে ওপৰোক্ত ক্ৰম অনুযায়ী তেখেত সকলৰ নিজ মতামত ব্যক্ত কৰিবৰ বাবে সুবিধা দিয়া হল।

১২) নিবিদা চিল কৰা খামৰ ভিতৰত ভৰাই মীন মহলৰ নিবিদা বুলি লিখি নিম্ন স্বাক্ষৰকাৰীৰ নাম ও ঠিকনা দিব লাগিব। নিবিদা ইং

তাৰিখৰ ভিতৰত দিনৰ ২ (দুই) বজালৈ কাৰ্য্যালয় খোলা থকা সময়ত গ্ৰহণ কৰা হল আৰু সেই দিনাই অন্য নিবিদাকাৰী নিবিদা খোলা থকাৰ সময়ত উপস্থিত থাকিব পাৰিব।

১৩) (ক) বিক্ৰী কৰিব খোজা প্ৰতিখন মীন মহলৰ / সমূহীয়া মীন মহলৰ বাবে একোখনকৈ নিবিদা দাখিল কৰিব লাগিব। প্ৰতিখন নিবিদাৰ মাছুল বাবদ ১০.০০ (দহ) টকাৰ ভাৰতীয় বেংকৰ চেক / বেংক ড্ৰাফট/ পোষ্টেল অৰ্ডাৰ গাঠি নিদিলে সেই নিবিদা গ্ৰহণ কৰা নহব। যিকোনো কাৰণতে উল্লেখিত মাচুল ঘুৰাই দিয়া নহব।

(খ) প্ৰতিখন নিবিদাৰ আয়কৰ, বিক্ৰীকৰ আদায়ৰ প্ৰমান পত্ৰ, জাতি সম্প্ৰদায়ৰ প্ৰমান পত্ৰ (প্ৰকৃত মাছমৰীয়া প্ৰমান পত্ৰ) মীন ৰাজহ বাকী নথকাৰ প্ৰমান পত্ৰ দাখিল কৰিব লাগিব।

(গ) যদিহে নিবিদাকাৰীয়ে ভূল তথ্য ও বিৱৰণ দিছে বুলি প্ৰমাণ হয়, তেনেহলে নিবিদাকাৰীক বন্দোৱস্তী দিয়া নহব বা বন্দোৱস্তী ৰদ কৰা হব।

১৪) মে মাহৰ ১ (এক) তাৰিখৰ পৰা জুলাই মাহৰ ১৫ (পোন্ধৰ) তাৰিখলৈকে নেট আদিৰে মাছমৰা বা ৭ ছেঃ মিঃ তলৰ বহল মহাজাল/বৰজাল /ফেচীজাল/মচুৰীজাল আদিৰে মাছমৰা বন্ধ ৰাখিব লাগিব।

(ক) মাছ কণী দিয়া সময় চোৱাত অৰ্থাৎ মে মাহৰ ১ (এক) তাৰিখৰ পৰা জুলাই মাহৰ ১৫ (পোন্ধৰ) তাৰিখলৈকে (দুয়োদিন ধৰি) কণী হোৱা মাছ যেনেঃ- ৰৌ, কাটলা, মৃগৰ, খৰিয়া আৰু কুহিমাছ মৰা বা ধৰা নিষেধ।

(১) ৰৌ, কাটলা, মৃগৰ, খৰিয়া, পিঠিয়া, ঘৰীয়া (১৩ ছেঃমিঃ দীঘল তল) মাছ মৰা বা ধৰা নিষেধ।

(২) মালী, কুহি আৰু ভাঙোন (১০ ছেঃমিঃ দীঘল তল) মাছ মৰা বা ধৰা নিষেধ।

(খ) মীণ মহলৰ ডোবা বা বিল আদিৰ ওপৰত ১২ নং(ক) দফাত উল্লেখ কৰাতকৈ সৰু ধৰণৰ মাছ জালত উঠে তেন্তে জীয়াই জীয়াই পুনৰ মীন মহলত এৰি দিব লাগিব নাইবা পট্টাদাৰে মীন বিভাগত জমা দিব লাগিব।

১৫) মে মাহৰ ১ (এক) তাৰিখৰ পৰা জুলাই মাহৰ ১৫ (পোন্ধৰ) তাৰিখলৈকে ৭ ছেঃ মিঃ তলৰ চলিত বান, মাছমৰা সঁজুলি হিচাপে ব্যৱহাৰ কৰিব নোৱাৰিব।

১৬) ১ (এক) মে পৰা ১৫ (পোন্ধৰ) জুলাই বাহিৰে মাছমৰা সময়ত পানী ওলাই যোৱা নলা/বাট/জান আদিত ৭ ছেঃমিঃ তলৰ বান ব্যৱহাৰ কৰিব পাৰিব।

১৭) উপায়ুক্তই বান্ধি দিয়া নিৰিখত জিলাৰ সকলো ঠাইতে যথেষ্ট সংখ্যক মাছ যোগান ধৰিব লাগিব। ৰাজ্য চৰকাৰৰ বিনা অনুমতিত মাছ এই ৰাজ্যৰ বাহিৰলৈ নিব নোৱাৰিব।

১৮) কৃতকাৰ্য্য হোৱা নিবিদাকাৰীয়ে নিজ নামত থকা মাটি ম্যাদী পট্টাৰ জমাবন্দীৰ সত্য প্ৰতিলিপি অথবা অৱস্থা তনকিয়াল সেই সমন্ধে গ্ৰহণযোগ্য প্ৰমান পত্ৰ দাখিল কৰিব লাগিব। ইয়াৰ ওপৰিও নিবিদাকাৰীয়ে যে চৰকাৰৰ ওচৰত ধাৰ বা কৰ আদি দিবলগীয়া বাকী নাই সেই সমন্ধে প্ৰমান পত্ৰ দাখিল কৰিব লাগিব।

১৯) খেতিৰ বাবে বিজুলী চালিত পাম্প মীন মহলৰ পানী উঠোৱাত মহলদাৰে আপত্তি কৰিব নোৱাৰিব।

I/44462/2023

| বন্দোৱস্তী দিবলগা মীন মহলৰ নাম | কোন পৰ্য্যায়ত অন্তভূক্ত | আগৰ বছৰৰ বাৰ্ষিক মীন ৰাজহৰ পৰিমাণ | কোন তাৰিখৰ পৰা বন্দোৱস্তী হ'ব |
|---|---|---|---|
| ২২ নং ধৰলা মীন মহল | ৪০ % | ১,৭৫,০০১/- | বন্দোৱস্তী দিয়া হুকুমৰ সময়ৰ / তাৰিখৰ পৰা ৫ বছৰৰ বাবে। |

Signed by Debasish Sharma
Date: 28-06-2023 20:31:56

উপায়ুক্ত,
মৰিগাঁওঃ অসম

নং 70698 তাৰিখ –২৭/০৬/২০২৩

ইয়াৰ প্ৰতিলিপি জ্ঞাতাৰ্থে আৰু বিহিতাৰ্থে প্ৰেৰণ কৰা হল :-

১) আয়ুক্ত, মধ্য অসম সংমণ্ডল, নগাওঁ।
২) সচিব, মীন বিভাগ, দিশপুৰ (অসম)
৩) উপায়ুক্ত, নগাওঁ/কামৰুপ মেট্ৰ/কামৰুপ/শোনিতপুৰ/হোজাই/কলিয়াবৰ জিলা।
৪) মূখ্য কাৰ্য্যবাহী বিষয়া, জিলা পৰিষদ, মৰিগাওঁ।
৫) জিলা তথ্য প্ৰযুক্তি বিষয়া আৰু কাৰিকৰী পৰিচালক, জিলা তথ্য কেন্দ্ৰ, মৰিগাওঁ **website** ত প্ৰচাৰৰ বাবে জনোৱা হ'ল।
৬) চক্ৰ বিষয়া, মৰিগাঁও/মায়ং/মিকিৰভেটা/লাহৰিঘাট/ভূৰাগাওঁ ৰাজহ চক্ৰ, মৰিগাঁও।
৭) জিলা মীন উন্নয়ন বিষয়া, মৰিগাওঁ।
৮) সমবায় সমূহৰ সহকাৰী পঞ্জীয়ক, মৰিগাওঁ।
৯) মৰিগাওঁ জিলাৰ সকলো খণ্ড উন্নয়ন বিষয়া, মৰিগাওঁ।
১০) জিলা তথ্য ও জনসংযোগ বিষয়া, মৰিগাওঁ বহুল প্ৰচাৰৰ বাবে জনোৱা হ'ল।
১১) সকলো মীন মহলৰ মহলদাৰলৈ।
১২) উপায়ুক্ত কাৰ্য্যালয়ৰ জাননী ফলক।

অতিৰিক্ত উপায়ুক্ত(মীন),
মৰিগাঁওঃ অসম